10. **ৰাষ্ট্ৰীয় আয়ৰ ওপৰত প্ৰভাৱ** (Effect on National Income) ঃ দেশ এখনে যেতিয়া আমদানি দ্ৰব্যৰ ওপৰত শুল্ক আৰোপ কৰে তেতিয়া দেশত তেনে সামগ্ৰীৰ দাম বাঢ়ে আৰু চাহিদা কমি যায়। গতিকে উপভোক্তাৰ চাহিদা বিদেশী দ্ৰব্যৰ পৰা স্বদেশী দ্ৰব্যলৈ স্থানান্তৰ হোৱাত দেশৰ জাতীয় আয় বাঢ়ে। কাৰণ স্বদেশী সামগ্ৰীৰ চাহিদা বৃদ্ধিয়ে তেনে সামগ্ৰী উৎপাদনত বিনিয়োগ বৃদ্ধি কৰি নিয়োগ বৃদ্ধি কৰে। বৰ্ধিত নিযুক্তিয়ে এহাতে উপাৰ্জন অন্যহাতেদি দেশৰ সক্ৰিয় চাহিদা উৰ্ধগামী কৰে। অৱশ্যে অৰ্থনীতিখন ইতিমধ্যে পূৰ্ণ নিযুক্তি স্তৰত থাকিলে বিপৰীত প্ৰভাৱ পৰিব পাৰে।

**3.12 আভ্যন্তৰীণ দিশলৈ চোৱা আৰু বৰ্হি দিশলৈ চোৱা বাণিজ্য নীতি (Inward Looking Trade Policy and Outward Looking Trade Policy and Their Evaluation)** ঃ অবাধ বা মুক্ত বাণিজ্য নীতিৰ ওপৰত আস্থা ৰাখি বহুতো অৰ্থনীতিয়ে বৈদেশিক লেন-দেনৰ ভাৰসাম্যহীনতা ভোগ কৰিব লগা হৈছিল। বিশেষকৈ আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দেশসমূহে অবাধ বাণিজ্যৰ ফল ভুগিব লগা হোৱাত তেওঁলোকে এক নতুন বাণিজ্য নীতিৰ কথা চিন্তা কৰিছিল। এই নতুন ব্যৱস্থাটোকেই আভ্যন্তৰীণ দিশলৈ চোৱা (Inward Looking Trade Policy) বাণিজ্য নীতি বোলা হয়। আভ্যন্তৰীণ দিশলৈ চোৱা বাণিজ্য নীতি মানে হ'ল নিজকে আত্ম প্ৰতিষ্ঠা কৰা। এখন দেশে আত্ম প্ৰতিষ্ঠা কৰাৰ অৰ্থ হ'ল আত্মনিৰ্ভৰশীল হোৱা। দেশ এখন আত্মনিৰ্ভৰশীল হ'বলৈ হ'লে—

(১) দেশখনৰ জনসাধাৰণৰ সকলো স্তৰৰ অভাৱ অভিযোগ পূৰণ কৰিব পৰাকৈ দেশৰ ভিতৰতে সকলো নিত্য ব্যৱহাৰ্য্য সেৱা-সামগ্ৰী উৎপাদন কৰিব পাৰিব লাগিব।

(২) এনে কৰিবলৈ হ'লে দেশখনে আমদানিৰ বিকল্প নীতি গ্ৰহণ কৰিব লাগিব। বহুতো অৰ্থনীতিবিদে আভ্যন্তৰীণ দিশলৈ চোৱা বাণিজ্য নীতিত অন্য কথাত আমদানিৰ বিকল্প বাণিজ্য নীতি আখ্যা দিছিল। অৰ্থাৎ ঘৰুৱা উদ্যোগসমূহ উন্নয়নৰ বাবে গ্ৰহণ কৰা এক বিকল্প নীতি আখ্যা দিছিল।

(৩) এই প্ৰকাৰৰ বাণিজ্য নীতিৰ অধীনত আমদানি-প্ৰতিকল্প দ্ৰব্য উৎপাদনত ঘৰুৱা উদ্যোগসমূহক প্ৰয়োজন সাপেক্ষে ৰাজসাহাৰ্য্য প্ৰদান কৰিব

লাগে। যাতে আমদানিকৃত সামগ্ৰীৰ দামত উদ্যোগসমূহে দ্ৰব্যৰ যোগান ধৰিব পাৰে।

(৪) দেশীয় দ্ৰব্য-সামগ্ৰীৰ উৎপাদনৰ প্ৰসাৰ আৰু গুণগত মানদণ্ড বঢ়াৰ লগে-লগে দিনক-দিনে আমদানি নিয়ন্ত্ৰণ আৰোপ কৰা দ্ৰব্য-সামগ্ৰীৰ তালিকাখনো বঢ়াই যাব লাগে।

(৫) আমদানিৰ পৰিমাণ কম কৰাৰ লগে-লগে তেনে সামগ্ৰীৰ উৎপাদনৰ নতুন-নতুন পথৰ সন্ধান কাৰ্য্যও নিৰবিচ্ছিন্নভাৱে চলাই যাব লাগে।

আমাৰ ভাৰতবৰ্ষই 1966 চনত মুদ্ৰা মূল্য হ্ৰাস কৰিছিল। বহুতো অৰ্থনীতিবিদৰ মতে ভাৰতবৰ্ষৰ এই কাৰ্য্যক আমদানি বিকল্প নীতি এক পৰোক্ষ কাৰ্য্য আখ্যা দিছিল। পুনৰ জাপানে গাড়ী-মটৰ আৰু ইলেকট্ৰনিক্স সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰি তেনে সামগ্ৰীৰ ৰপ্তানি কেনেকৈ বৃদ্ধি কৰিব পাৰি তাৰ প্ৰতি লক্ষ্য ৰাখি আমদানিৰ বিকল্প নীতি গ্ৰহণ কৰিছিল। আভ্যন্তৰীণ দিশলৈ চোৱা বাণিজ্য নীতিৰ অন্য এক উদ্দেশ্য হ'ল দেশৰ ঘৰুৱা উদ্যোগ প্ৰতিষ্ঠানসমূহক প্ৰয়োজনত যথেষ্ট পৰিমাণে ৰাজসাহাৰ্য্য প্ৰদান কৰি হ'লেও ঘৰুৱা উৎপাদন বৃদ্ধি কৰা। যাতে বহুজাতিক কোম্পানীসমূহৰ কাৰ্য্যকলাপ কম কৰিব পৰা যায়।

**আভ্যন্তৰীণ দিশলৈ চোৱা বাণিজ্য নীতিৰ সুফলসমূহ ঃ**

1. **চালুকীয়া আৰু ভাগি পৰা উদ্যোগৰ সংৰক্ষণ** (Protection of Infant and Decling Industries) ঃ দেশ এখনত নতুনকৈ গঢ়ি উঠা উদ্যোগসমূহেই হ'ল চালুকীয়া উদ্যোগ। এনে উদ্যোগৰ লগতে অবাধ বাণিজ্য নীতিৰ আধাৰত তিষ্ঠি থাকিব নোৱাৰা দুৰ্বল উদ্যোগসমূহক দেশৰ চৰকাৰে সংৰক্ষণ নিদিলে এনে উদ্যোগসমূহ মৰহি যোৱাৰ সম্ভাৱনা অধিক হয়। আভ্যন্তৰীণ দিশলৈ চোৱা বাণিজ্যিক নীতিয়ে এনে উদ্যোগক সংৰক্ষণ দিয়াৰ সপক্ষে মত প্ৰকাশ কৰে।

2. **নিয়োগ সৃষ্টি** (Job Creation) ঃ এই প্ৰকাৰৰ বাণিজ্য নীতিৰ আধাৰত উদ্যোগৰ সংৰক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয় বাবে দেশত বিভিন্ন খণ্ডত বিনিয়োগ বৃদ্ধি হয়। বিনিয়োগে নিযুক্তি বৃদ্ধি কৰা দেশত নিবনুৱা সমস্যা সমাধান হয়।

3. **ঘৰুৱা উৎপাদন বৃদ্ধি** (Increase Domestic Income) ঃ এই প্ৰকাৰ বাণিজ্য নীতিৰ ঘৰুৱা উৎপাদন খণ্ডই চৰকাৰীভাৱে সংৰক্ষণ আৰু প্ৰয়োজনত ৰাজসাহাৰ্য্য লাভ কৰে বাবে দেশত ঘৰুৱা উৎপাদনীয় প্ৰতিষ্ঠান বা উদ্যোগৰ সম্প্ৰসাৰণ ঘটে। বিনিয়োগ সম্প্ৰসাৰণে নিয়োগ, উপাৰ্জন চাহিদা যোগান সকলো দিশতে সম্প্ৰসাৰণ ঘটায়।

4. **দেশৰ পৰম্পৰাগত জীৱন ধাৰণ পদ্ধতি** (Preserving Traditional Ways of Life) ঃ যিহেতু দেশৰ জনসাধাৰণে সকলোবিলাক সেৱা সামগ্ৰী ঘৰুৱা উৎপাদনীয় খণ্ডৰ পৰাই লাভ কৰে গতিকে নিজা পৰম্পৰাগত জীৱন ধাৰণ পদ্ধতিৰো পৰিৱৰ্তন নহয়। অৰ্থাৎ দেশৰ সাংস্কৃতিক দিশসমূহ অক্ষুন্ন থাকে।

5. **বিশ্বায়নক প্ৰত্যাহ্বান** (Challeges of Globalization) ঃ আভ্যান্তৰীণ দিশলৈ চোৱা বাণিজ্য নীতিয়ে যিহেতু ঘৰুৱা উদ্যোগসমূহৰ সংৰক্ষণৰ যোগেদি উন্নয়ন আৰু দক্ষতা বৃদ্ধিৰ প্ৰচেষ্টা হাতত লয়। গতিকে অবাধ বাণিজ্য নীতিৰ আধাৰত গঢ়ি উঠা বিশ্বায়নক প্ৰত্যাহ্বান জনায় আৰু আন্তৰ্জাতিক মানদণ্ড বিশিষ্ট ক্ষমতাশালী বহুজাতিক কোম্পানীৰ হাতোৰাৰ পৰা দেশখনক ৰক্ষা কৰি থলুৱা প্ৰতিভাৰ বিকাশ ঘটায়।

**বহিঃ দিশলৈ চোৱা বাণিজ্যক নীতি** (Outward Looking Trade